সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৩ সংখ্যা, ২ মাঘ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 3 * Date Of Publication - 16 January 2022 Rs.10.00/-

## বটদ্ৰবা থানত উপস্থিত অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা



টুকটুকী, ৰঙিলী বাৰ্ত্তাসেৱা- মুখমন্ত্ৰী ড০ শৰ্মাৰ উদ্যোগ আৰু তৎপৰতাত জগত গুৰুজনাৰ জন্মস্থানত বিশেষকৈ পৰ্যটন ক্ষেত্ৰৰ বিকাশ -গুৰুদুজনাৰ ঐতিহ্যময় আধ্যাত্মিক কলাৰ প্ৰচাৰ প্ৰসাৰৰ সম্ভাৱনাই বটদ্ৰৱাৰ অঞ্চলবাসীৰ মাজত সঞ্চাৰ কৰিছে আশাবাদৰ প্ৰতিফলন। ড০ হিমন্ত বিশ্ব শৰ্মাৰ একান্ত ব্যক্তিগত প্ৰচেষ্টাত গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা থানৰ ঐতিহাসিক সম্পদ স্বৰূপ মণিকূট, কীৰ্তনঘৰ আৰু নাটঘৰটোৰ আন্তঃগাঠনি নিৰ্মাণ মজবুত আৰু নিকপকপীয়া কৰাৰ প্ৰয়াস হিচাপে তিনিও স্থানৰ মজিয়াত মাৰ্বল লগোৱাৰ লগতে আধুনিক প্ৰযুক্তিগত চিলিং নিৰ্মাণ, নতুনকৈ হেঙুল হাইতালৰ ব্যৱহাৰেৰে নৰূপত সজোৱা হ'ল বটদ্ৰৱা থান। মুখ্যমন্ত্ৰীৰ বিশেষ তৎপৰতাত বটদ্ৰৱা থানৰ উন্নত মানৰ বৈদ্যুতিকৰণৰ কামখিনি সম্পূৰ্ণ হৈছিল। দুপৰীয়াৰ ভাগত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা থানত উপস্থিত হয়। বটদ্ৰৱা থানৰ কীৰ্তনঘৰৰ গুৰুআসন প্ৰতিষ্ঠাৰ সাংস্কৃতিক কাৰ্য্যক্ৰমনিকাত অংশ গ্ৰহন কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই নিজহাতে ফিটা কাটি নকৈ সজাই তোলা বটদ্ৰৱা কীৰ্তনঘৰৰ দ্বাৰ উন্মোচন কৰে। সত্ৰাধিকাৰ সকল, ভকত বৈষ্ণৱ সকলৰ উপস্থিতিত গুৰুআসন প্ৰতিষ্ঠাৰ কাৰ্য্যক্ৰমনিকাত অংশ গ্ৰহন কৰে মাননীয় মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ ব্যক্তিগত উদ্যোগ আৰু তৎপৰতাত বটদ্ৰৱা থানৰ কীৰ্তনঘৰ নতুন ৰূপত নিৰ্মান হৈ উঠিল। বটদ্ৰৱা থানত মুখ্যমন্ত্ৰীৰ

( পাঁচ পৃষ্ঠাত চাওক)

## মকৰ সংক্ৰান্তিত বিশ্বব্যাপী এক কোটিতকৈও অধিক সূৰ্য নমস্কাৰ প্ৰদৰ্শন



ৰঙিলী বাৰ্ত্তাসেৱা- আজাদী কা অমৃত মহাৎসেৱৰ সৈতে সংগতি ৰাখি কেন্দ্ৰীয় আয়ুষ মন্ত্ৰণালয়ে আজি "জীৱনীশক্তিৰ বাবে সূৰ্য নমস্কাৰ" কাৰ্যসূচী পালন কৰে। ভাৰতকে ধৰি সমগ্ৰ বিশ্বৰ ৭৫ লাখৰো অধিক লোকে শৰীৰ আৰু মনক সুস্থ-সবল কৰি ৰাখিবলৈ আৰু ক'ভিড-১৯ মহামাৰীৰ সময়ত নিজকে সুৰক্ষিত ৰাখিবলৈ সূৰ্য নমস্কাৰ একেলগে প্ৰদৰ্শন কৰে। এই কাৰ্যসূচী কেন্দ্ৰীয় আয়ুষ মন্ত্ৰী সৰ্বানন্দ সাণোৱাল আৰু আয়ুষ ৰাজ্যিক মন্ত্ৰী ডাঃ মুঞ্জপৰা মহেন্দ্ৰভায়ে ভাচুৱেলী আৰম্ভ কৰে। এই উপলক্ষে বাবা ৰামদেৱ, আচাৰ্য বালকৃষ্ণ, শ্ৰীশ্ৰী ৰবিশংকৰ, সদগুৰু জাগ্গী বাসুদেৱ আৰু বিশ্বৰ বিভিন্ন প্ৰান্তৰ বহু উল্লেখযোগ্য ব্যক্তিয়ে এই শুভ উদ্বোধনী অনুষ্ঠানত যোগেদান কৰে। উদ্বোধনী ভাষণত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সাণোৱালে কয়, "সূৰ্য আমাৰ জীৱনীশক্তিৰ উৎস। শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ বাবে সূৰ্য নমস্কাৰৰ জৰিয়তে সূৰ্য উপাসনা কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মাদোৰ সবল নেতৃত্ব আৰু নিৰ্দেশনাত মানৱ সমাজৰ সুস্বাস্থ্যৰ বাবে বিশ্বজুৰি

( দুই পৃষ্ঠাত চাওক)

সম্পাদকীয়ঃ

## শংকা তথা সংশয়ৰ দোমোজাত ভোগালীৰ শুভেচ্ছা



চাৰিওফালে ক'ৰোনাৰ আতংক এছ অ'পিৰ বাধা-নিষেধ, ঠেঁটুৰৈ ধৰা জাৰৰ লগতে পুহৰ মুষলধাৰ বৰষুণে আদৰি আনিলে হেপাঁহৰ মাঘক। আমাৰ বাপতি সাহোন বিহুকেইটি মূলত কৃষিভিত্তিক। আঘোণৰ সোণগুটি চপোৱা হয় পুহত। ধনী-দুখীয়া সকলোৰে ঘৰৰ ভড়াল মাঘত ভৰপুৰ হৈ থাকে সেইবাবে এই বিহুত ভোগ কৰা হয়। কিন্তু আজি কিছুদিনৰ পৰা কভিড সৃষ্ট পৰিস্থিতিয়ে আমাৰ বাপতি সাহোন ভোগালীৰ উছাহ আনন্দ স্তিমিত কৰি পেলালে। টি.ভি, বাতৰি কাকতত কভিড সৃষ্ট পৰিস্থিতিৰ সংহাৰী ৰূপ দেখি পুনৰ মনবোৰ শংকিত হৈ উঠিছে। 'এনেই বুঢ়ী নাছনি তাতে নাতিনীয়েকৰ বিয়া' কথাই প্ৰতি ৰং ৰহইছ কৰি ভালপোৱা আমিবোৰ প্ৰধানত খেতিৰ ওপৰত নিৰ্ভশীল। তেনেস্থলত ভোগালী হেন বিহুটিক কেনেকৈ এৰি দিওঁ। পিছে মানুহ সদায় পৰিস্থিতিৰ দাস। পৰিস্থিতিৰ আহ্বান আমি নতশিৰে মানিবই লাগিব। চৌদিশে পুনৰ এক হাহাকাৰ পৰিস্থিতিৰ উদ্ভৱ হোৱাৰ আগতে সকলো চৰকাৰী নীতি-নিৰ্দেশনা পালন কৰি খুউব সৰ্তপনে আমি আমাৰ জীৱনৰ প্ৰতিটো খোজত আগুৱাই যাব লাগিব। আমি প্ৰত্যেকেই একো একোজন সচেতন নাগৰিকৰ দায়িত্ব পালন কৰি ঐক্যবদ্ধ ভাবে মাৰ বান্ধি এই পৰিস্থিতিৰ মোকাবিলা কৰিব লাগিব। প্ৰত্যাহ্বানেৰে পূৰ্ণ সমুখ সময়। আমি সকলোৰে ভোগালীৰ উছাহ আনন্দ ইয়াতে সামৰি সমুখৰ প্ৰত্যাহ্বানক গ্ৰহণ কৰি জীৱন জিনিব লাগিব। সকলোলৈকে ভোগালীৰ শুভেচ্ছা জনালোঁ। সকলো ভালে থাকক আৰু সুস্থ থাকক।

# মন্ত্ৰী পীযুষ হাজৰিকা আৰু অভিনেত্ৰী আইমী বৰুৱাই জ্যেষ্ঠ নাগৰিকৰ সৈতে নিজা বাসভৱনত উদযাপন কৰে হেঁপাহৰ ভোগালী বিহু



ৰঙিলী বাৰ্তাসেৱা- কৰ'না আতংক তথা প্ৰতিকূল বতৰকো নেওচি ব্যাপক উৎসাহ- উদ্দীপনাৰে ৰাজ্যজুৰি উদযাপিত হৈছে হেঁপাহৰ ভোগালী বিহু। তাৰমাজতেই জাগীৰোডৰ বিধায়ক তথা অসম চৰকাৰৰ জল সম্পদ, তথ্য আৰু জনসংযোগ, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই গ্ৰহণ কৰিছে এটা বিশেষ পদক্ষেপ। সেই অনুসৰি আজি মন্ত্ৰীগৰাকীয়ে ঐতিহাসিক আঁহতগুৰিস্থিত নিজা বাসগৃহত সমষ্টিৰ জ্যেষ্ঠ নাগৰিকসকলৰ সৈতে উৰ্দযাপন কৰে ভোগালী বিহু। মন্ত্ৰী পীযুষ হাজৰিকাৰ লগতে মন্ত্ৰীগৰাকীৰ সহধৰ্মিণী তথা জনপ্ৰিয় অভিনেত্ৰী আইমী বৰুৱাই নিজে সকলোকে আপ্যায়ন কৰোৱাৰ লগতে গামোচা পিন্ধাই ভোগালীৰ ওলগ জ্ঞাপন কৰি জ্যেষ্ঠসকলৰ আশীষ গ্ৰহণ কৰে। আনহাতে কৰ্মোদ্যমী মন্ত্ৰী পীযুষ হাজৰিকা আৰু অভিনেত্ৰী আইমী বৰুৱাৰ সৈতে উখল-মাখল পৰিৱেশত ভোগালীৰ এসাঁজ গ্ৰহণ কৰিবলৈ পাই জ্যেষ্ঠ নাগৰিকসকলেয়ো গভীৰ আত্মসন্তুষ্টি প্ৰকাশ কৰে। উল্লেখযোগ্য যে, এই বিশেষ দিনটোত মন্ত্ৰী বিমল বৰা আৰু প্ৰাক্তন বিধায়ক শিলাদিত্য মন্ত্ৰী পীযুষ হাজৰিকাৰ বাসগৃহত উপস্থিত হৈ জ্যেষ্ঠ নাগৰিক সকলৰ সৈতে মত -বিনিময় কৰে । আনহাতে জনপ্ৰিয় অভিনেত্ৰী আইমী বৰুৱাই জ্যেষ্ঠ নাগৰিক সকলৰ সৈতে ভোগালী বিহু উৰ্দযাপন কৰিবলৈ পাই সুখী অনুভৱ কৰা বুলি উল্লেখ কৰাৰ লগতে মন্ত্ৰী পীযুষ হাজৰিকাই অসমবাসীলৈ ভোগালীৰ ওলগ জ্ঞাপন কৰি চৰকাৰী নিৰ্দেশনা মানি চলিবলৈ সকলোকে আহ্বান জনায়।

# যৌতুকৰ বাবে হত্যা ন-বোৱাৰীক

টুকটুকী, ৰঙিলী বাৰ্তাসেৱা- কেইটিমান টকাৰ বাবে হত্যা কৰা হ'ল জুৰীয়াৰ পুৱ চতিয়ানৰ ন-বোৱাৰীক। হত্যাৰ অভিযোগ উঠিছে ভুক্তভোগী বোৱাৰী গৰাকীৰ স্বামী চান্দাম হুছেইন আৰু পৰিয়ালৰ বিৰুদ্ধে। প্ৰেমৰ সূত্ৰে বিয়াত বহিছিল চান্দাম আৰু মুকচিদাই। বিয়াৰ কিছুদিনৰ পৰাই টকা বিচাৰি মুকচিদাৰ পৰিয়ালক ব্যতিব্যস্ত কৰিবলৈ আৰম্ভ কৰিছিল নিচাসক্ত চান্দামে। ১৪ তাৰিখে পুৱাৰ ভাগত মুকচিদাই ঘৰলৈ ফোন কৰি স্বামীৰ ঘৰত কিবা কাজিয়া হৈ থকাৰ কথা জনাইছিল তাৰ এঘন্টাৰ পাছতেই পুনৰ ফোন আহে যে মুকচিদাই আত্মহত্যা কৰিছে। এই কথাত সন্দেহ কৰি মুকচিদাৰ পিতৃ জালালউদ্দিনে সমগ্ৰ ঘটনাৰ তদন্ত বিচাৰি জুৰীয়া আৰক্ষী থানাত জোৱায়েক চান্দাম আৰু তেওঁৰ পৰিয়ালৰ বিৰুদ্ধে গোচৰ তৰিছে।

# বৰহাজাৰাত ভাই-ভনী কৌতুক গোষ্ঠীৰ ভোগালী মেলা উদযাপন

কমলপুৰ, বাৰ্তাসেৱা - কামৰূপ জিলাৰ অন্তৰ্গত বৰহাজাৰাত ভাই-ভনী কৌতুক গোষ্ঠী আৰু স্থানীয় ৰাইজৰ সহযোগত বৰহাজাৰা সাংস্কৃতিক মঞ্চ তথা প্ৰাংগণত দিনযোৰা কাৰ্যসূচীৰে ভোগালী মেলা উদযাপন কৰা হয়। কাৰ্যসূচীমৰ্মে পুৱা বৃক্ষৰোপণ কৰে সমাজ সেৱক মঞ্জুৰ ডেকাই, খেল-ধেমালী পৰিচালনা কৰে মাধৱ চন্দ্ৰ ডেকা। ইয়াৰোপৰি ভাই-ভনী কৌতুক গোষ্ঠীৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয় কৃতী শিক্ষক ৰামধন ডেকা, কৰুণাকান্ত ডেকা, বিশিষ্ট পেপা বাদক লোহিত ডেকা লগতে যুৱ সাংবাদিক চিৰঞ্জীৱ বাবা আৰু দেৱজিৎ ডেকাক। অনুষ্ঠানত গীত পৰিৱেশন কৰে যমজ ভাতৃ মিন্টু-মৃণাল ডেকা লগতে বিশেষ ভাৱে সক্ষম নলবাৰীৰ "সাধনা শিল্পী গোষ্ঠী"য়ে। ইয়াৰোপৰি আধুনিক নৃত্য প্ৰতিযোগীতাত প্ৰথম স্থান দখল কৰে নিশিতা কাকতি, দ্বিতীয় অংকিতা কাকতি, তৃতীয় দিপশিখা গোস্বামী, চতুৰ্থ ডিম্পী ডেকাই। বৃহত্তৰ অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ লক্ষ্যৰে, মৰম সাহস কণ দিয়া উদ্দেশ্যে ভাই-ভনী কৌতুক গোষ্ঠীৰ পৰিচালক পিংকু ডেকাই উক্ত ভোগালী মেলাৰ আয়োজন কৰে।

# ভোগালী বিহুৰ উপলক্ষে পহিলা মাঘত খৈৰাবাৰী হিড়িম্বা বাথৌ থানশালীত আশিস ল'বলৈ অহা ভক্তৰ বিপুল সমাগম



ওদালগুৰি, ৰঙিলী বাৰ্তাসেৱা- ওদালগুৰি জিলা খৈৰাবাৰী স্থিত চিনাকোনা হিড়িম্বা বাথৌ থানশালীত অসমীয়াৰ বাপতিসাহোন ভোগালী বিহুৰ উপলক্ষে পহিলা মাঘত বিভিন্ন প্ৰান্তৰ পৰা হিড়িম্বা বাথৌ মন্দিৰত বড়ো সকলৰ আৰাধ্য দেৱতা বুঢ়াই বাথৌৰ আশিক ল'বলৈ অহা ভক্তপ্ৰাণ ৰাইজৰ বিপুল সমাগম হোৱা দেখা যায়। কিশোৰ কিশোৰীৰ পৰা বৃদ্ধালৈ হিড়িম্বা বাথৌ থালশালীত বড়ো সকলৰ আৰাধ্য দেৱতা বুঢ়াই বাথৌক সন্তুষ্ট কৰিবলৈ আৰাজ বা প্ৰাৰ্থনাৰে সমগ্ৰ মন্দিৰ ভক্তিৰে মুখৰিত কৰি তোলে। মন্দিৰ পৰিচালনা সমিতিৰ বিষয়ববীয়া সকলে জনোৱা অনুসৰি প্ৰতি বছৰে বড়ো জনগোষ্ঠীয় লোক সকলে পুহ মাহৰ শেষৰ দিনা ভোগালী বিহুৰ দৈমাহী উদযাপন কৰি মাঘ মাহৰ ১ তাৰিখে ভগবান ওচৰত আৰধনা কৰে। সেয়েহে বিভিন্ন প্ৰান্তৰ লগতে ওদালগুৰি জিলা খৈৰাবাৰী অঞ্চলৰ অতিহ্য মণ্ডিত তীৰ্থস্থান চিনাকোনা হিড়িম্ব বাথৌ থানশালীত বহু দূৰ দূৰণিৰ পৰা ভক্তসকলৰ বিপুল সমাগম হোৱা দেখা যায়।


# মকৰ সংক্ৰান্তি বিশ্বব্যাপী

যাগে আৰু সূৰ্যনমস্কাৰৰ বহুল প্ৰচাৰ আৰু প্ৰসাৰ কৰাটো সম্ভৱপৰ হৈছে। "ভাৰতৰ আধ্যাত্মিক পৰম্পৰাৰ এক অবিচ্ছেদ্য অংগ হৈছে সূৰ্য নমস্কাৰ, যাৰ গুৰুত্ব আৰু মহানতাক আজি সমগ্ৰ বিশ্বই অনুধাৱন কৰিব ধৰিছে আৰু ইয়াৰ জনপ্ৰিয়তা তথা প্ৰসাৰ যথেষ্ট বৃদ্ধি পাবলৈ ধৰিছে। মানৱ সমাজৰ কল্যাণৰ বাবেই বিশ্বব্যাপী সূৰ্যনমস্কাৰৰ দৰে এটি গুৰুত্বপূৰ্ণ কাৰ্যসূচী হাতত লাৰো হৈছে। এই অনুষ্ঠানত অংশ লাৰো দেশ-বিদেশৰ সকলো যাগে গুৰু, বিভিন্ন যাগে প্ৰতিষ্ঠান কৰ্তৃপক্ষ আৰু অন্যান্য প্ৰতিগৰাকী লাকেক আয়ুষ মন্ত্ৰালয়ৰ তৰফৰপৰা আৰু মাৰে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। এই উপলক্ষে ডাঃ মুঞ্জপৰা মহেন্দ্ৰভায়ে কয়, "সূৰ্য নমস্কাৰ সন্দৰ্ভত কৰা বিভিন্ন ফলপ্ৰসূ গৱেষণাই প্ৰমাণ কৰিছে যে, সূৰ্য নমস্কাৰে আমাৰ ৰাগে প্ৰতিৰোধে ক্ষমতা গঢ়ি তালে আৰু শৰীৰ-মন সুস্থ কৰি ৰাখে।" এই ভাচুৰেল অনুষ্ঠানত সমগ্ৰ বিশ্বৰ বহুতাে আগশাৰীৰ যাগে প্ৰশিক্ষক আৰু যাগে উৎসাহীয়ে যাগেদান কৰে, সূৰ্য নমস্কাৰ প্ৰদৰ্শন কৰে আৰু সূৰ্য নমস্কাৰৰ সুফল সম্পৰ্কে তেওঁলাকেৰ মতামত ব্যক্ত কৰে। এই সমগ্ৰ অনুষ্ঠানটো ডিডি নেচনেলত লাইভ হৈছিল আৰু বিশ্বৰ বিভিন্ন প্ৰান্তৰ অংশগ্ৰহণকাৰীসকলে ভাচুৰেল অংশগ্ৰহণ দ্বাৰা তেওঁলাকেৰ উৎসাহ দেখুৱাইছিল। অনুষ্ঠানটোৱে সমগ্ৰ বিশ্বৰ যথেষ্ট সমৰ্থন লাভ কৰে আৰু এনচিচি, এনএছএছ-ৰ স্বেচ্ছাসেৱক আৰু সেনা জোৱানকে ধৰি দেশৰ শিক্ষা মন্ত্ৰালয়, প্ৰতিৰক্ষা মন্ত্ৰালয়, গৃহ মন্ত্ৰালয় তথা যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ প্ৰত্যক্ষ অংশগ্ৰহণ আৰু সহযাগিতা লাভ কৰে।

# মাধ্যমিক স্কুলত ১৩০ গৰাকী প্ৰাৰ্থীক চতুৰ্থ শ্ৰেণীৰ পদত অনুকম্পামূলক নিযুক্তি

গুৱাহাটী, ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্য চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত বিভিন্ন শিক্ষানুষ্ঠানত আজি ৰাজ্য চৰকাৰে ১৩০ গৰাকী প্ৰাৰ্থীলৈ অনুকম্পামূলক চতুৰ্থ শ্ৰেণীৰ নিয়মীয়া পদৰ নিযুক্তি পত্ৰ প্ৰদান কৰে। এই উপলক্ষে পাঞ্জাবাৰীস্থিত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰী শ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত এক সভাত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আনুষ্ঠানিকভাৱে প্ৰাৰ্থীসকলক নিযুক্তি পত্ৰ প্ৰদান কৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে নৱনিযুক্ত প্ৰাৰ্থীসকলক নিজৰ কৰ্মক সৰু-বৰ নাভাবি কৰ্মৰ জৰিয়তে আৰু দায়বদ্ধতাৰে চৰকাৰী দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। কৰ্মৰ জৰিয়তে নিজেই নিজৰ পৰিচয় দিব লাগিব আৰু ভাল কৰ্ম কৰিলেহে সমাজেই এদিন স্বীকৃতি দিব বুলিও মন্তব্য প্ৰদান কৰে। মন্ত্ৰী গৰাকীয়ে পৰিৱেশ সংৰক্ষণৰ ওপৰতো গুৰুত্ব দি নৱ নিযুক্ত প্ৰাৰ্থীসকলক পঢ়ি অহা বিদ্যালয়খনৰ লগতে নতুনকৈ কৰ্মক্ষেত্ৰত যোগদান কৰা বিদ্যালয়খনত অথবা কাৰ্যালয়ত এজোপা গছপুলি ৰোপন কৰি প্ৰতিপালনৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনায়।

এই অনুষ্ঠানত শিক্ষা বিভাগৰ প্ৰধান সচিব বি. কল্যাণ চক্ৰৱৰ্তী, শিক্ষা বিভাগৰ বিশেষ আয়ুক্ত প্ৰীতম শইকীয়া, সমগ্ৰ শিক্ষা অভিযান মিছনৰ সঞ্চালিকা ৰৌছনী অপৰাজিতা কোৰকাটি, মাধ্যমিক শিক্ষা বিভাগৰ সঞ্চালিকা মমতা হোজাই, উচ্চ শিক্ষা বিভাগৰ সঞ্চালক ধৰ্মকান্ত মিলি, প্ৰাথমিক শিক্ষা বিভাগৰ সঞ্চালিকা বিজয়া চৌধুৰী প্ৰমুখ্যে বিভাগীয় বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।



# ৰিমচ সাহিত্য চ'ৰাৰ কাব্যগ্ৰন্থ উন্মোচন

ৰঙিলী বাৰ্ত্তাসেৱা- মহানগৰীৰ মঠঘৰীয়াৰ ৰিমচ সাহিত্য চ'ৰাৰ উদ্যোগত মঠঘৰীয়াস্থিত “মহিকান্ত-সিদ্ধী-কমলা স্মৃতি পুথিভঁৰাল” ক্ষেত্ৰত উক্ত সাহিত্য চ'ৰাৰ সভাপতি কবি যোগেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তীৰ পৌৰোহিত্যত তেওঁৰে স্বৰচিত “আবেলিৰ ৰং” শীৰ্ষক কাব্যগ্ৰন্থ উন্মোচনী সভাখন অনুষ্ঠিত হয়। “ৰিমচ”ৰ সম্পাদক হীৰেণ কুমাৰ ভট্টাচাৰ্য্যই আতঁ ধৰা সভাত গীত, সাগৰীকা, বন্দনাৰ সংস্কৃত স্তোত্ৰ পাঠেৰে আৰম্ভ কৰি, চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে সভাৰ কাৰ্য্যসূচী মুকলি কৰি, চক্ৰৱৰ্ত্তীৰ স্বৰ্গীয় ক্ৰমে পিতৃ-মাতৃ, শহুৰ -শাহুৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনত সহায় কৰে জুনু দেৱী, চপলা চক্ৰৱৰ্ত্তীয়ে। সভাত ৰিমচৰ প্ৰাক্তন উপদেষ্টা ডাঃ নবনীন্দ্ৰ শৰ্মা, ডাঃ কৈলাস ভট্টাচাৰ্য্য দুই গৰাকী প্ৰয়াত ব্যক্তিৰ বাবে এক মিনিট মৌন প্ৰাৰ্থনা কৰে। শিক্ষা বিভাগৰ অৱসৰী উপ-সঞ্চালক ড° বিমল কৃষ্ণ ভট্টাচাৰ্য্যই গ্ৰন্থ উন্মোচন কৰি ভাষণ ৰাখে। মুখ্য অতিথিৰ ভাষণ ৰাখে প্ৰাক্তন উপাধ্যক্ষ ড° পূৰ্ণ ভট্টাচাৰ্য্যই, নিৰ্দিষ্ট বক্তাৰ ভাষণ ৰাখে লেখিকা ববিতা বৈশ্য লহকৰে। ভাষণ ৰাখে লেখক ঘনশ্যাম শইকীয়া, গিৰিন্দ্ৰ নাথ ডেকাই। কবিতা আবৃত্তি কৰে- জিতেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী, শেখৰ জ্যোতি চক্ৰৱৰ্ত্তী, মন্দাকিনী গোস্বামী, কণমানি মানশ্ৰী। প্ৰীতম ভট্টাচাৰ্য্যৰ সন্তুৰ বাদনেৰে আৰম্ভ কৰি গীত পৰিৱেশন কৰে ইলা মিশ্ৰ , জোৎস্না ফুকন, সূৰ্য্য ভট্টাচাৰ্য্য, মীনা ভট্টাচাৰ্য্য, বিমান গগৈ, সাগৰীকা ভট্টাচাৰ্য্য, গিতু ভট্টাচাৰ্য্য, কৃষ্ণা চক্ৰৱৰ্ত্তী, মানশি চক্ৰৱৰ্ত্তী, বন্দনা চক্ৰৱৰ্ত্তী, অৰুনীমা চক্ৰৱৰ্ত্তী, সাত্বনা চক্ৰৱৰ্ত্তী, কংগনা চক্ৰৱৰ্ত্তী, নিধন বৰ্মন আৰু মীনা কলিতাই ।

# জ্যেষ্ঠ সাংবাদিক বিকাশ মৰাণৰ পিষ্টলেৰে মূৰত গুলিয়াই আত্মহত্যা




ৰঙিলী বাৰ্ত্তাসেৱা- জ্যেষ্ঠ সাংবাদিক বিকাশ মৰাণৰ আত্মহত্যা। এই ঘটনাই আচৰিত কৰি তুলিছে তিনিচুকীয়াৰ লগতে ৰাজ্যৰ সংবাদ মহলক। তিনিচুকীয়া জিলাৰ মাকুমৰ নিজ বাসগৃহত নিজৰ পিষ্টলেৰে মূৰত গুলিয়াই আত্মহত্যাৰ দৰে চৰম পন্থা বাচি লয় সাংবাদিকগৰাকীয়ে। কেইবাটাও চেটেলাইট চেনেলত উজনিৰ হৈ প্ৰতিনিধিত্ব কৰা বিকাশ মৰাণ আছিল ইলেকট্ৰনিক মিডিয়া ফৰামৰো প্ৰতিষ্ঠাপক। উজনি অসমৰ প্ৰথমগৰাকী ইলেকট্ৰনিক মাধ্যমৰ সাংবাদিক আছিল মৰাণ। নিশা প্ৰায় ১২.৩০বজাত নিজৰ শুৱনি কোঠাত ৰহস্যজনকভাৱে আত্মহননৰ দৰে পথ বাচি লয় সাহসী সাংবাদিকগৰাকীয়ে। মৰাণৰ ৰহস্যজনক এই মৃত্যুৰ কাৰণ এতিয়ালৈকে জানিব পৰা হোৱা নাই। সামাজিকভাৱে অতিকৈ সচেতন সাংবাদিক গৰাকীৰ মৃত্যুত এতিয়া ৰাজ্যৰ সংবাদ মহলত শোকৰ ছাঁ পৰিছে। বিকাশ মৰাণে ব্যৱহাৰ কৰা পিষ্টলটো ইতিমধ্যে আৰক্ষীয়ে জব্দ কৰিছে। আৰক্ষীৰ তদন্তৰ পিছত পোহৰলৈ আহিব ঘটনাৰ ৰহস্য।

# ইতিহাসত প্ৰথমবাৰৰ কাৰণে মানুহৰ দেহত সফলতাৰে সংৰোপন গাহৰিৰ হৃদপিণ্ড

ৰঙিলী বাৰ্ত্তাসেৱা- আমেৰিকাৰ এখন হাস্পতালত এগৰাকী ব্যক্তিৰ দেহত সফলতাৰে সংৰোপন কৰা হয় গাহৰিৰ হৃদপিণ্ড। ইতিহাসত প্ৰথমবাৰৰ কাৰণে হোৱা এই অস্ত্ৰোপচাৰে মানৱ সমাজক অংগ সংৰোপনৰ দিশত আৰু এক খোজ আগুৱাই লৈ গ'ল। এগৰাকী ৫৭ বছৰীয়া লোকৰ দেহত গাহৰিৰ হৃদযন্ত্ৰ সফলতাৰে সংৰোপন কৰা এই বাতৰি আজিৰ দিনটোত আন্তৰ্ৰাষ্ট্ৰীয় স্তৰত সবাতোকৈ চৰ্চিত খবৰ। ডেভিদ বেনেট নামৰ ৫৭বছৰীয়া ব্যক্তিগৰাকীৰ দেহত প্ৰথমবাৰৰ বাবে সংৰোপন কৰা হৈছে গাহৰিৰ হৃদযন্ত্ৰ। আমেৰিকাৰ মেৰিলেণ্ড ইউনিভাৰচিটী অৱ মেডিকেল স্কুলৰ এই কাৰ্য সফলতাৰে সমাপ্ত হৈছে।



উল্লেখ্য যে, প্ৰায় ২৫বছৰৰ আগেয়ে এনেদৰেই মানৱ দেহত গাহৰিৰ হৃদপিণ্ড সংৰোপন কৰি প্ৰায় ৯৫শতাংশ সফলতা লাভ কৰিছিল ডাঃ ধনীৰাম বৰুৱাই। ১৯৯৭চনত মানৱ দেহত গাহৰিৰ হৃৎপিণ্ড সংৰোপনৰ কৰাৰ প্ৰচেষ্টাত হাতত লৈ গুৱাহাটীত জেলৰ ভাত খাইছিল ডাঃ ধনীৰাম বৰুৱাই। কিন্তু বৰুৱাই সিঁচি থৈ যোৱা চিন্তাৰ অতি সম্প্ৰতি সফল ৰূপায়ণ হৈছে মাৰ্কিন যুক্তৰাষ্ট্ৰত।

# বাই-চাইকেলৰ জগতলৈ ওভতনি যাত্ৰা

**ফখৰুদ্দিন আহমেদ**



বিগত ইং ১৯৮৮ বৰ্ষ। সেই বৰ্ষত মই দৰং জিলাৰ ছিপাঝাৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ সানোৱা অঞ্চলৰ উচ্চ শিক্ষাৰ একমাত্ৰ অনুষ্ঠান সানোৱা মাদ্ৰাছা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা মেট্ৰিক পৰীক্ষাৰ সমপৰ্যায়ৰ অসম হাই মাদ্ৰাছা পৰীক্ষাত অৱতীৰ্ণ হৈছিলো। পৰীক্ষাৰ কেন্দ্ৰ আছিল তদানিন্তন কামৰূপ জিলাৰ বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়। সেই কেন্দ্ৰৰ শাখা কেন্দ্ৰ বাইহাটা চাৰিআলিৰ নিকটষ্ঠ পলহা একাডেমীত আমাৰ পৰীক্ষা অনুষ্ঠিত হৈছিল। আমাৰ সানোৱাৰ পৰা পলহালৈ প্ৰায় ১৮ ১৯ কিলোমিটাৰ দূৰ হোৱাৰ বাবে পৰিয়ালৰ তৰফৰ পৰা মোক মান্দাকাটাত থাকি লৈ পৰীক্ষাত বহাৰ সুবিধা কৰি দিছিল। তেতিয়া প্ৰয়োজন হৈ এখন বাই-চাইকেলৰ। মই বাই-চাইকেল চলাব পাৰিলেও আৰ্থিক অনাটনৰ বাবে নিজা হিচাপে আমাৰ পৰিয়ালত কোনো বাই-চাইকেল নাছিল। সৌভাগ্যৰ কথা যে মেট্ৰিক পৰীক্ষাৰ প্ৰাক্ মুহূৰ্তত অসম চৰকাৰৰ তৰফৰ পৰা ছিপাঝাৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মহোদয়ৰ কাৰ্যালয়ৰ জৰিয়তে আমাৰ পৰিয়ালটিয়ে পাছ শ টকাৰ সাহায্য লাভ কৰিছিল। আমাৰ আব্বাই ছিপাঝাৰৰ পৰা আহি খান্দাজান চ'কৰ মিনাৰ নাথ নামৰ দোকানী জনৰ পুৰণি হাৰকিউলিছ ব্ৰেণ্ডৰ বাই-চাইকেল এখন কিনি আনিছিল উক্ত পাছ শ টকাৰে। চমু অৰ্থত ক'ব লাগিলে আমাৰ পৰিয়ালত নতুনকৈ এখনি পুৰণি বাই-চাইকেলৰ আবিৰ্ভাব ঘটিছিল। মেট্ৰিক পৰীক্ষাৰ কেইদিন মই মান্দাকাটাৰ পৰা পলহা একাডেমীলৈ উক্ত বাই-চাইকেলখন চলাই গৈ পৰীক্ষাত অৱতীৰ্ণ হৈছিলো।

সেই পৰীক্ষা আৰু পিছলৈ ইং ১৯৯০ বৰ্ষত উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত ক্ৰমে ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় আৰু ছিপাঝাৰ মহাবিদ্যালয়ত অধ্যয়ন কৰিছিলো। উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ দুবছৰ আৰু স্নাতক শ্ৰেণীৰ তিনি বছৰ সৰ্ব মুঠ পাছ বছৰ মোৰ গাওঁ সানোৱাৰ পৰা খান্দাজান চ'কলৈ প্ৰায় অহা-যোৱা মুঠ দহ কিলোমিটাৰকৈ নিতৌ বাই-চাইকেলখন চলাই অহা যোৱা কৰাটো নিত্য নৈমিত্তিক কাৰ্যক্ৰমত পৰিনত হৈছিল। খান্দাজান চ'কত প্ৰথমতে মই প্ৰয়াত নিৰেন নাথ দাদাৰ পান দোকানৰ ওচৰত আৰু পিছলৈ দৰ্জি চুৰত আলি ককাইটিৰ দোকানৰ ওচৰত বাই-চাইকেলখন থৈ ছিপাঝাৰলৈ বাছেৰে অহা যোৱা কৰিছিলো।

প্ৰসংগটি উপস্থান কৰিলো এই কাৰণেই যে বিগত ইং ২০০৪ চন মানৰ পৰা মোৰ বাই-চাইকেলৰ সৈতে সম্পৰ্ক নাছিল। প্ৰথমতে এখনি স্কুটাৰ আৰু পিছলৈ বাইক ব্যৱহাৰ কৰিবলৈ লৈছিলো আৰু এতিয়াও মই যাতায়তৰ ক্ষেত্ৰত বাইক খনকেই প্ৰধানকৈ ব্যবহাৰ কৰি আহিছো। কিন্তু বাই-চাইকেল এৰি বাইক চলোৱাৰ পিছৰ পৰা মোৰ জীৱনলৈ বহুত পৰিবৰ্তন আহিল। প্ৰথমতে মোৰ ওজন বাঢ়ি বাঢ়ি গৈ প্ৰায় ৮৪ কিলোগ্ৰাম পালেগৈ। তাৰ পিছত দেহৰ অসুস্থতাৰ বাবে চিকিৎসকৰ ওচৰ চপাত ধৰা পৰিল উচ্চ ৰক্তচাপ জনিত সমস্যা । ঔষধ জীৱনৰ লগৰী হৈ পৰিল। তাৰ কিছু বছৰ পিছত ডায়েবেটিছ ধৰা পৰিল। ঔষধৰ সংখ্যা বাঢ়িল আৰু নিতৌ নিৰ্দিষ্ট সময়ত ঔষধ সেৱন কৰাটো জীৱনৰ দায়িত্ব আৰু কৰ্তব্যৰ তালিকাত সোমাই পৰিল। উচ্চ ৰক্তচাপ আৰু ডায়েবেটিছ ধৰা পৰাৰ ক্ৰমে ১৪ আৰু ০৮ বছৰ পিছত মোৰ স্বাস্থ্য

*(আঠপৃষ্ঠাত চাওক)*

# জীৱিকাৰ পথ ?

**অঞ্জুমণি শইকীয়া**
**যোৰহাট, মালৌ- আলি**



সময় পালেই মই বা পুত্ৰ বুঢ়ী গোঁসানী দেৱালয়লৈ যাওঁ। বিশেষকৈ, ১ জানুৱাৰী আৰু ১৭ ফেব্ৰুৱাৰীত পুত্ৰৰ জন্মদিনৰ শৰাই দিবলৈ। ঘূৰি আহোঁতে দেৱালৰ সন্মুখত বহি আশাৰে ভক্তলৈ চাই হাত পাতি থকা প্ৰতিজনকে এই বিশেষ দিন দুটাত কমকৈ হ'লেও কিবা এটা দি থৈ আহোঁ। আগতে বিশেষভাৱে সক্ষম বা বৃদ্ধসকলেহে হাত পাতিছিল। কিন্তু, কিছু বছৰৰ পৰা আদহীয়া ব্যক্তি, বোৱাৰী (কাম কৰিব পৰা), কেঁচুৱা থকা মহিলাইও পইচা বিচাৰে। কেৱল খোৱা বস্তু দিলেই এওঁলোক সন্তুষ্ট নহয়। পঁচিশ বা ত্ৰিশজন মানুহক একেলগে পইচা দিয়াটো সকলোৰে বাবে সম্ভৱ নহয়। চাকি এগছি দি ঘূৰি অহাৰ সময়ত এওঁলোকে পিছে পিছে গৈ পইছা বিচাৰে। মন্দিৰলৈ গৈ সুখ অনুভৱ কৰিলেও এনেকুৱা দৃশ্যবোৰে দুখহে দিয়ে।

ছোৱালীতে নেঘেৰিটিং শিৱ মন্দিৰলৈ যাওঁতে পাণ্ডা নাছিল। কিন্তু, আজিৰ পৰা চাৰি বছৰৰ আগতে স্বামী, পুত্ৰ আৰু (পুত্ৰৰ) লগৰ ল'ৰা এজন নেঘেৰিটিঙলৈ গৈছিল। পাণ্ডাই বিচৰা মতে পইচা দিওঁতে দিওঁতে ল'ৰাজনৰ হাতত চাহ একাপ খাবলৈও পইচা নাথাকিল। তাৰ পিছতো পাণ্ডাই অসন্তুষ্ট হৈ বেয়াকৈ কৈছিল। অথচ, সেই সময়ত ল'ৰাজন ছাত্ৰ আছিল।

পাচলি কিনিবলৈ যাওঁতে পইচাৰ বেগটো খুলিলেই পুৰুষ বা মহিলা এগৰাকীয়ে হাত পতা কেইবাদিনো লগ পাইছো । এদিন এজনক সুধিলো, " পইচা কিয় লাগে ?

" নামঘৰ সাজিবলৈ ।"

" ভাদমহীয়া ক'ত নামঘৰ সাজিছে ?"

" নহয়, মানে ঘৰৰ গোঁসাই ঘৰটো -- ।"

নোট এখন উলিয়াই দিলো ।

নতুন জোতা, নতুন চোলা পিন্ধি লাখুটি এডাল লৈ এজন আদহীয়া মানুহে হাত পাতিলে। পাচলি বেপাৰীজনে চিঞৰিলে, " বাইদেউ, নিদিব। ই সদায় ভাও ধৰে।" এতিয়াও

*(দহপৃষ্ঠাত চাওক)*

# মানৱ শৰীৰ

**গৰিমা ডেকা**



মোৰ শৰীৰটো মানৱ জীৱৰ মই কেতিয়াবা এই মানৱ
শৰীৰৰ বাট বোৰত খোজ দিম কেতিয়াবা মই ওখ হম,
কেতিয়াবা মই চাপৰ হম, শকত আৰু ক্ষীণ হব পাৰো
নাইবা মোৰ শৰীৰৰ ৰং মিঠা বৰনিয়া হব পাৰে।
চুলি ঘন নাথাকিবও পাৰে।
প্ৰকৃতিৰ বুকুৰ পৰা উলোৱা পোহৰে মোৰ শৰীৰত
ৰঙেৰে ছবি আঁকিব ।।
মোৰ শৰীৰটোক এদিন প্ৰকৃতিয়ে নিজৰ বুকুতে বান্ধি
লয় জাব নগ্ন শৰীৰত..সেই বাবে মই এই মানৱ
শৰীৰটোক সকলো বাটেৰে খোজ দিয়াম।।
বাটবোৰ অনুভৱ কৰিয়াম যে মানৱ শৰীৰটোত কিমান
ৰূপ আছে মোৰ মানৱ শৰীৰটোত কল্পনাও কৰিব নোৱাৰো।।
প্ৰকৃতিয়ে মাহে-মাহে, বছৰে বছৰে ৰূপ সলাই তেতিয়া কোনে নো
হাঁহে?
মোৰ মানৱ শৰীৰটো যেতিয়া মাহে-মাহে, বছৰে বছৰে সলনি হয়
কিয় হাঁহা?
দোষ পাও শিক্ষিত হয়ও যে অশিক্ষিত কথা কিছুমানত
যে হাঁহা ।।

# বটদ্ৰৱা থানত উপস্থিত অসমৰ

আগমনক লৈ উখল মাখল পৰিৱেশ বিৰাজ কৰিছে। গায়ন বায়ন আই সকলৰ নামেৰে মুখ্যমন্ত্ৰীক আদৰি অনা হ'ল বটদ্ৰৱা থানলৈ। ।মুখ্যমন্ত্ৰীয়ে বটদ্ৰৱা থানত সেৱা গ্ৰহন কৰি সত্ৰাধিকাৰ প্ৰমুখ্যে পৰিচালনা সমিতিৰ লগতো বাৰ্তালাপত মিলিত হয়। বটদ্ৰৱা থানত সত্ৰাধিকাৰ আৰু ভকত বৈষ্ণৱ সকলে তেওঁ দীৰ্ঘজীৱি হ'বলৈ-নিষ্ঠাৰে জাতিৰ সেৱা আগবঢ়ায় যাবলৈ হিয়া উজাৰি আশীৰ্বাদ দিয়ে মুখ্যমন্ত্ৰী ড° শৰ্মাক। ধৰ্মবস্ত্ৰ, কুঁহিলাৰ কঠ, শৰাই, চেলেং চাদৰ, সৰ্ম্বদ্ধনা পত্ৰৰে সৰ্ম্বদ্ধনা জনোৱা হয় মাননীয় মুখ্যমন্ত্ৰীক। ইয়াৰ পিছতে মুখ্যমন্ত্ৰী ড° শৰ্মা উপস্থিত হয় বটদ্ৰৱাৰ ঐতিহাসিক শ্ৰীমন্ত শঙ্কৰদেৱ গৱেষণা প্ৰতিষ্ঠানত । প্ৰকাশ থাকে যে গুৰুজনাৰ এই জন্মস্থানতে বটদ্ৰৱা শঙ্কৰদেৱ গৱেষণা প্ৰতিষ্ঠান ১৯৭৪ চনতে বাগ্মীবৰ ককা নীলমনি ফুকন, সাহিত্যচাৰ্য্য ড° যজ্ঞে শ্বৰ শৰ্মা প্ৰভৃতি মহান জাতীয় জীৱনৰ কাণ্ডাৰী সকলে প্ৰতিষ্ঠা কৰিছিল। সেই ঐতিহাসিক অনুষ্ঠানত আজিও ১২০০ খন সাঁচিপাতৰ পুথি মজুত আছে। পাঁচ শতাধিক তুলাপতীয়া পুথি মজুত আছে। বিশ্বমানৰ ৮০০০ খন গৱেষণা গ্ৰন্থ গৱেষণা প্ৰতিষ্ঠানত মজুত আছে । মুখ্যমন্ত্ৰীয়ে প্ৰথম বাৰৰ বাবে বটদ্ৰৱা শঙ্কৰদেৱ গৱেষণা প্ৰতিষ্ঠানলৈ আহিছে। ইয়াৰ পিছত বটদ্ৰৱাৰ দাঁতিকাষৰীয়া মুছলমান অধ্যুষিত এলেকাত থকা কোবাইকটা সত্ৰ পৰিদৰ্শন কৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই। কোবাইকটা সত্ৰত আইসতীৰাধিকাৰ জন্মস্থান। অসম আন্দোলনৰ পিছত এই সত্ৰখন পৰিত্যক্ত অৱস্থাত আছিল। প্ৰথমবাৰলৈ অসমৰ মুখ্যমন্ত্ৰী আহিল কোবাইকটা সত্ৰ দৰ্শন কৰিবলৈ। মুখ্যমন্ত্ৰীৰ আগমনক লৈ সমগ্ৰ অঞ্চলটোতে যেন উখল মাখল পৰিৱেশ।

# ডি এছ পি পদত যোগ দিয়ে লাভলীনা বৰগোঁহাই

ৰঙিলী বাৰ্ত্তাসেৱা- ২০২১ চনৰ টকিঅ' অলিম্পিক গেমছত পদক লাভৰ পিছতেই লাভলীনা বৰগোহাঁইক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰদান কৰিছিল অসম আৰক্ষীৰ ডি এছ পি পদ। লাভলীনা বৰগোঁহায়ে খেলৰ জৰিয়তে উপ- আৰক্ষী অধীক্ষক পদ গ্ৰহণ কৰিলৈ সিদ্ধান্ত লৈছে। অসম আৰক্ষীৰ পোছাক পিন্ধে লাভলীনা বৰগোহাঁয়ে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত উপ-আৰক্ষী অধীক্ষক পদত যোগ দিয়ে লাভলীনা বৰগোঁহায়ে। লাভলীনা বৰগোহঁায়ে বিহুৰ পিছতে পাটিয়ালাৰ অনুশীলন শিবিৰলৈ আকৌ উভতি যাব।



JANASANYOG- 3157/21

২ মাঘ, ১৪২৭ চন Rongili Barta, Date of Publication-- 16 January, 2022

# আই ঘৰলৈ যাম দুই হাতে...

**যুথিকা ৰাণী শৰ্মা**



এটা আকৰ্ষণীয় অৱসৰ বিনোদন। তাকো ক্ষন্তেকীয়া নহয়; এদিন? দুদিন?... সম্পূৰ্ণ চাৰিদিন। ঠিকেই অসম চৰকাৰৰ অধীনত থকা কৰ্মচাৰীৰ বাবে বিশেষ বিনোদন। কিমান যে ভাল লগা কথা। এখন চৰকাৰে নিজৰ অধীনত কৰ্মৰত প্ৰত্যেকজন কৰ্মচাৰীৰ মনস্তাত্বিক দিশটোৰ কিমান ক্ষুদ্ৰ ক্ষুদ্ৰ বিষয়টোলৈকে চকু ৰাখিছে। সঁচাকৈ এটা যুগান্তকাৰী সিদ্ধান্ত বাবে প্ৰশংসনীয় পাত্ৰ আমাৰ মুখ্যমন্ত্ৰীজন। টি.ভিৰ প্ৰতিটো চেনেলতে ৰাতিপুৱাৰ পৰা গধূলিলৈকে বিভিন্ন ঠাইৰ পৰা দেখা পোৱা দৃশ্য বোৰে মনটোক আলোড়িত কৰি তুলিছে। চকুলোবোৰ সেমেকিও উঠিছে। ভগবানৰ ওচৰত প্ৰাৰ্থনা জনাইছো যাতে এই কৰ্মচাৰী সকলে কেতিয়াও চাকৰিৰ অজুহাত দেখুৱাই নিজৰ পিতৃ- মাতৃক বা শাহু-শহুৰৰ আবেগৰ বান্ধোনৰ পৰা আঁতৰ কৰি বৃদ্ধাশ্ৰমত দিন কতাবলৈ এৰি থৈ নাহে। এই চাৰিদিন আনন্দ স্ফূৰ্তিৰে কটাই আপোন মানুহৰ আবেগৰ পৰশেৰে উজ্জীৱিত হৈ যেতিয়া কৰ্মস্থানলৈ পুনৰ ঘুৰি আহিব তেতিয়া অন্ততঃ নিজৰ কৰ্মটোক শ্ৰদ্ধা জনাই সেৱাৰ মনোভাৱেৰে ৰাইজৰ হকে কাম কৰে। কৰ্মসংস্কৃতিৰ নমুনা দেখুৱালে যাতে সংবাদ দাতাবোৰ কেতিয়াও অফিচে অফিচে ঘুৰিব লগা নহয়। সদায় সঠিক ভাবে কৰাসকলেও যেন আৰু দুগুণ উৎসাহেৰে নিজৰ কৰ্মত ব্ৰতী হয়।

যি কি নহওঁক লোকৰ সুখ দেখি ঈৰ্ষা উপজি এনেবোৰ বক্তব্য লিখা নাই। কিন্তু মনত আক্ষেপ উপজা কথা এটা হে ক'ও, যিখন ঘৰত আজিৰ এই আনন্দৰ বন্যা বৈছে সেই ঘৰখনত থকা ব্যক্তিগত খণ্ডত জড়িত হৈ কাম কৰা ব্যক্তিজনৰ অৱস্থা বাৰু কেনে হৈছে? আজি ওচৰৰ এঘৰত দেখিলো "তোমালোকেই ভোট দি চৰকাৰ গঠন প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবা। আজিৰ পৰা মই কেতিয়াও ভোট দিব নাযাও" বুলি আক্ষেপেৰে কোৱা। হাঁহি উঠিল যদিও দকৈ ভাবিলো, হয় ব্যক্তিগত প্ৰতিস্থানত কৰ্মৰত যুৱকজন সদায় চৰকাৰী খণ্ডৰ কৰ্মচাৰী কেইজনতকৈ সদায় আগতে যায় আৰু সদায় নিয়মিত ভাবে কৰ্মস্থলীত সময়মতে উপস্থিত হোৱাৰ লগতে সন্ধ্যাও আটাইকেইজনতকৈ দেৰি কৈহে কৰ্মস্থানৰ পৰা উলতে। প্ৰতি মুহুৰ্ত্ততে নিজৰ কৰ্মক লৈ সচেতন আৰু কামটো কিমান নিখুত নিয়াৰিকৈ উপস্থাপন কৰিব পাৰে তাকে লৈ ব্যস্ত হৈ থাকে। তেওঁলোক কৰ্মস্পৃহা, কৰ্মদক্ষতা, পাৰদৰ্শিত কোনোগুণেই চৰকাৰী কৰ্মচাৰীতকৈ কম নহয় বৰঞ্চ কিছুগুণে উন্নত মানদণ্ডৰহে। যিহেতু ব্যক্তিগত খণ্ডত ব্যক্তিক পাৰদৰ্শিতাৰ ভিত্তিতহে নিয়োগ কৰা হয়। কিন্তু তেওঁলোকৰ সুবিধা কি? কি পায় তেওঁলোকে? এইক্ষেত্ৰত প্ৰতিস্থান সমুহ স্বত্বাধিকাৰীসকলক দোষাৰোপ কৰিব নোৱাৰি, কিয়নো প্ৰতিযোগীতাৰ পৃথিৱীখনত সময়ৰ মূল্য প্ৰতিযোগী সকলেহে বুজি পায়। এই প্ৰতিযোগীতাৰ দৌৰত নিজকে প্ৰতিস্থিত কৰা আৰু নিজৰ স্থানটোৰ সাজোৰে ধৰি আৰু খুপনি পুতি সেই দৌৰত সমানে দৌৰি যোৱাৰ যি ধৈয্য আৰু সাহস তাক বৰ্তাই ৰখাটো সেই স্বাত্বাধিকাৰী সকলেহে বুজি পায়। গতিকে সেই সকলে সময়ক সচাঁকৈয়ে মুকুতা জ্ঞান কৰিবই লাগিব। কিন্তু সেইসকলৰ যেতিয়া নিৰ্বাচন বুলি, বিভিন্ন দল সংগঠনে

(দহ পৃষ্ঠাত চাওক)

# বৰেণ্য নাৰী সিন্ধুতাই চাপকাল..

**দেৱীকা বৰপূজাৰী**
**মুম্বাই**



নামটো শুনিলেই মনলৈ আহে, মুম্বাইত My Home India ই আয়োজন কৰা সভাত এগৰাকী অতি সাধাৰণ বেশভূষাৰ মহিলাৰ সুমধুৰ আৰু হাস্য ৰসেৰে ভৰা ভাষণ। সঁচায়ে মোৰ সৌভাগ্য যে সেই সভাত মই উপস্থিত থাকিব পাৰিছিলো। ফুলেৰে সজ্জিত মঞ্চত, মুখত এমোকোৰা হাঁহিৰে সিন্ধুতাই ; শৰীৰত মহাৰাষ্ট্ৰিয়ান কপাহী শাৰী, কতো গহনা নাই, কপালত মাথো এটা ডাঙৰ ফোট। মই পিছে সেই সভাৰ বিৱৰণ দিব খোজা নাই, মই লিখিব খুজিছো, ২০১১ চনত Indian Mer-chant Chamber ৰ সভাগৃহত সেই বছৰ 'বছৰৰ মহিলা' Woman of the year) ৰ পুৰস্কাৰ লবলৈ পুনেৰ পৰা অহা সিন্ধুতাই ৰ কথা। পুৰস্কাৰ গ্ৰহণ কৰি, সকলোকে ধন্যবাদ জনাই সিন্ধুতায়ে কৈছিল " জীৱনটোৱেই এটা পুৰস্কাৰ"। Wardha ৰ খেতিয়কৰ জীয়ৰী ২৪ বছৰীয়া সিন্ধুতাইক গৰ্ভৱতী অৱস্থাত স্বামীৰ দ্বাৰা পৰিত্যক্ত হব লগীয়া হৈছিল কিন্তু তেখেতে হাৰ মনা নাছিল। দৰিদ্ৰতা নেওচি, চাৰিখন অনাথ আশ্ৰমৰ এহেজাৰ অনাথ সন্তানৰ বাবে পুঁজি সংগ্ৰহ কৰাত উঠি পৰি লাগিছিল। অনাথ আশ্ৰমৰ হকে কাম কৰি থকা সময়তে সিন্ধুতায়ে নিজৰ জীয়েককো অনাথ আশ্ৰমত ভৰ্তি কৰি দিলে যাতে আনবোৰ অনাথ সন্তানৰ প্ৰতি তেখেতৰ স্নেহ আৰু আপদাল কমি নাযায়। অসুস্থ স্বামীক ক্ষমা কৰি সিন্ধুতায়ে শুশ্ৰষা কৰিলে আৰু নিজৰ জীয়ৰীৰ লগত মিলিত হ'ল প্ৰায় কুৰি বছৰৰ পিছত। সিন্ধুতাইৰ এই অনন্য যাত্ৰাই তেখেত যলৈকে যায়, তাতেই জনপ্ৰিয় হৈ পৰে। IMC ৰ অনুষ্ঠানত মুম্বাইৰ নামী মহিলা উদ্যোগপতি আৰু সমাজৰ আগশাৰীৰ সুসজ্জিতা নাৰী সকলৰ সিন্ধুতাইৰ পদধূলা লবলৈ সেইদিনা হেতা উপৰা লাগিছিল।

গাই গৰু ৰখীয়াৰ পৰিয়ালত জন্ম গ্ৰহণ কৰা সিন্ধুতায়ে সৰুতে গৰু ৰখীয়াৰ কাম কৰি হে স্কুললৈ ঢাপলি মেলিব পাৰিছিল। ন বছৰ বয়সতে প্ৰায় ত্ৰিশ বছৰীয়া এজনৰ লগত বিয়া হোৱাৰ পাছত সিন্ধুতায়ে স্বামীৰ মাৰ খাব লগীয়া হৈছিল কাৰন বাতৰি পঢ়িব লৈ আগ্ৰহী সিন্ধুতায়ে একো নাপালে, বজাৰৰ পৰা টোপোলা বান্ধি অনা খবৰ কাগজৰ টুকুৰা কে পঢ়িছিল, কেতিয়াবা স্বামীয়ে দেখাৰ ভয়ত কাগজৰ টুকুৰা মুখৰ ভিতৰতো ভৰাই থৈছিল। "মোৰ স্বামীয়ে ভাবিছিল, পঢ়িলে মই তেওঁতকৈ এখোপ আগ বাঢ়ি যাম, কিন্তু মই মাথো যিহকে পাওঁ, পঢ়িব হে খুজিছিলো "- বুলি তেখেতে কয়।

সিন্ধুতাইৰ অনাথ আশ্ৰম প্ৰধানকৈ চলে দান বৰঙণিৰ ওপৰত, কিয়নো চৰকাৰে বিশেষ সহায় কৰা নাই। সেয়েহে কোনো সভালৈ যেতিয়া তেখেতক ভাষণ দিবলৈ মাতে, প্ৰথমেই কৈ লয় "ৰেশ্যন নহলে ভাষণো নহয়".. স্বামীৰ পৰা পৰিত্যক্ত হৈ সিন্ধুতায়ে গোহালী ঘৰত ছোৱালী এজনী জন্ম দিয়ে। মাক জীয়েকৰ ভৰন পোষণৰ কাৰনে মুম্বাইৰ লোকেল ট্ৰেইনত গীত গাই ভিক্ষা মাগিব লগীয়া হৈছিল। তিনিবাৰ তেখেতে আত্মহত্যাৰ প্ৰচেষ্টা চলাইছিল কিন্তু, তেখেতৰে ভাষাত - " কিবা এক বিশেষ কামৰ বাবেহে প্ৰতিবাৰেই মৃত্যুক সাৰতিবলৈ মই অপাৰগ হৈছিলো"। শিশু কন্যাক লৈ ঘূৰি ফুৰোতে

(আঠপৃষ্ঠাত চাওক)

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

# অসম লোকসেৱা অধিকাৰ
# সেৱাৰ নিশ্চিতি, জনতাৰ সবলীকৰণ

JANASANYOG- 3127/21

rtps.assam.gov.in

সহাঁৰি XOHARI



## উপলব্ধ সেৱাসমূহ
## ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ

- বিবাহ পঞ্জীয়ন
- সম্পত্তিৰ নথি-পত্ৰৰ পঞ্জীয়ন
- সম্পত্তিৰ মালিকীস্বত্বৰ পৰিৱৰ্তন
- ভূমি ৰেকৰ্ডৰ প্ৰামাণিক প্ৰতিলিপি
- নন-এনকমব্ৰেন্স প্ৰমাণপত্ৰ
- পঞ্জীভুক্ত বিক্ৰী দলিলৰ প্ৰামাণিক প্ৰতিলিপি
- পৰিৱৰ্তন ক্ৰমৰ প্ৰামাণিক প্ৰতিলিপি
- নিখুঁত বিভাজন
- ভূমিৰ পুনৰ শ্ৰেণী বিভাজনৰ বাবে এন অ' চি
- পুনৰ শ্ৰেণী বিভাজন তথা স্থানান্তৰৰ বাবে এন অ' চি
- স্থাৱৰ সম্পত্তি স্থানান্তৰৰ বাবে এন অ' চি

সবিশেষ জানিবলৈ/সহায়ৰ বাবে
এ আৰ টি পি এছ হেল্পলাইন নম্বৰ ১৮০০-৩৪৫-৩৫৭৪ ডায়েল কৰক

অসম লোকসেৱা অধিকাৰ আইন, ২০১২ (২০১৯ চনৰ সংশোধন অনুসৰি)

পঞ্জীয়ন কৰক : assam.mygov.in /mygovassam

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত    Follow us /@diprassam    https://dipr.assam.gov.in/

# বাই-চাইকেলৰ জগতলৈ ওভতনি যাত্ৰা

বহুখিনি বেয়া হ'ল লগতে ওজনো বহুখিনি কমি গ'ল। বিগত ২ ৩ বছৰ পূৰ্বৰ পৰা মই প্ৰায়ে ৰাতিপুৱা প্ৰায় তিনি কিলোমিটাৰ মানকৈ বেগাই খোজ কাঢ়ো নতুবা ধীৰ গতিত দৌৰো। সদ্যহতে মোৰ শৰীৰৰ কোনো বিশেষ সমস্যা নাই। উচ্চ ৰক্তচাপ আৰু ডায়েবেটিছ দুয়োটাই নৰ্মেল অৱস্থাত আছে।


কেবাজনো চিকিৎসকৰ পৰামৰ্শ মই ইতিমধ্যে গ্ৰহণ কৰিছো। তেখেত সকলৰ পৰামৰ্শ মতে ঘাইকৈ বেগাই খোজ কঢ়া নাইবা ধীৰ গতিত দৌৰিবলৈ দিয়াৰ লগতে তাৰ বিপৰীতে পাৰিলে ৰাতিপুৱা আৰু গধুলি বাই-চাইকেল চলোৱাও উত্তম। মোৰ মনত এটি ধাৰণা বাৰুকৈয়ে স্পষ্ট হৈ পৰিছে যে বাইকৰ প্ৰাদুৰ্ভাব আৰু পয়োভৰ ঘটাৰ পূৰ্বে মানুহবিলাকে দৈনন্দিন জীৱনত বাই-চাইকেলৰ ওপৰতেই নিৰ্ভৰশীল আছিল। সেয়েই কিজানি দেহবোৰ প্ৰায় ভাগ মানুহৰে নিৰোগী আছিল। বিশেষকৈ উচ্চ ৰক্তচাপ, ডায়েবেটিছ আৰু থায়ৰয়েড আদি বেমাৰবোৰ নাছিল। সাধাৰণ পানীলগা-চৰ্দি, জ্বৰ আৰু গ্ৰহণী বেমাৰবোৰেই প্ৰধানকৈ মানুহক ব্যতিব্যস্ত কৰি আহিছিল। কিন্তু এই বেমাৰবোৰ বছৰটোৰ নিৰ্দিষ্ট সময়তহে আহিছিল আৰু আক্ৰান্ত মানুহবোৰে ঔষধ সেৱন কৰিলেই আৰোগ্যও হৈছিল। কিন্তু উচ্চ ৰক্তচাপ, ডায়েবেটিছ আৰু থায়ৰয়েড আদিৰ সমস্যাই কাৰোবাক জীৱনত এবাৰ কিবাকৈ লম্ভিলে সেই মানুহজনক ঔষধে চিৰ জীৱনৰ বাবে লম্ভি লয়। এইটোহে সাংঘাটিক সমস্যা। এই সমস্যাবোৰৰ বাবে মানুহৰ জীৱন ধাৰণ প্ৰণালীৰ পৰিবৰ্তনহে মূলত দায়ী। সাম্প্ৰতিক সময়ত মানুহে কমকৈ পৰিশ্ৰম কৰে নতুবা একেবাৰে পৰিশ্ৰম বিমুখ। এনেবোৰ ক্ষেত্ৰত চিকিৎসক সকলৰ পৰামৰ্শ অনুযায়ী বাই-চাইকেল চলোৱাটো মানুহৰ স্বাস্থ্যৰ পক্ষে যথেষ্ট লাভদায়ক। দূৰ দূৰণিলৈ যাতায়তৰ বাবে বাইক ব্যৱহাৰ কৰিলে সময়ৰ ৰাহি হয়, এয়া ভাল কথা। কিন্তু নিজৰ ঘৰৰ বজাৰ-সমাৰ বা ৫ ৬ কিলোমিটাৰ দূৰত্বলৈ যাবলগা হ'লে বাইক ব্যৱহাৰ নকৰি বাই-চাইকেল চলাই যোৱাই উত্তম কাৰণ এই বাই-চাইকেল চলোৱা কাৰ্যই মানুহৰ স্বাস্থ্যৰ ক্ষেত্ৰত মহৎ উপকাৰ কৰিব।

আমাৰ সানোৱাত প্ৰথম বাই-চাইকেল চলাইছিল ক্ৰমে সদ্য প্ৰয়াত আৰব আলিৰ পিতৃ প্ৰয়াত আব্বাছ আলি আৰু প্ৰয়াত হাবিল ছা টিকাদাৰে। প্ৰয়াত আব্বাছ আলিৰ সানোৱাৰ পুব প্ৰান্তত থকা ৰাজাপুখুৰীৰ পাৰত গড়ে আঘাত কৰাৰ ফলত মৃত্যু মুখত পৰিছিল। দৰং জিলাত ছিপাঝাৰৰ বাসিন্দা, শিক্ষাবিদ আৰু মঙ্গলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ প্ৰয়াত ৰমনী বৰুৱাই প্ৰথমে চাইকেল চলাইছিল। মই জানিব পৰা মতে প্ৰয়াত বৰুৱা চাৰে তাহানিতে কলকাতাত পঢ়িবলৈ গৈছিল আৰু পঢ়া শেষ কৰি অসমলৈ আহোতে এখনি বাই-চাইকেল কিনি ৰে'লত লৈ আহিছিল।

এই সকলোবোৰ বিষয় চিন্তা-চৰ্চা কৰি ইং ২০০৪ বৰ্ষৰ পৰা সুদীৰ্ঘ সোতৰ বছৰ পিছত পুনৰ এখনি বাই-চাইকেল কিনি আনিলো। পেট্ৰল জাত সামগ্ৰীৰ মহঙা দিনত বাই-চাইকেল ব্যৱহাৰ কৰিলে আৰ্থিক ভাবে লাভবান হোৱাৰ উপৰিও দৈহিক স্বাস্থ্যগত দিশটোৰো ইতিবাচক দিশলৈ পৰিবৰ্তন হোৱাত বাৰুকৈয়ে সহায়ক হ'ব বুলি মোৰ দৃঢ় বিশ্বাস। বিজ্ঞানে আমাক উন্নতিৰ দিশলৈ লৈ যোৱাৰ লগতে সময়ৰো ৰাহি কৰিছে সঁচা কথা। কিন্তু দেহটো সুস্থ ৰখাৰ যি জৈবিক তাড়না সেয়াও মানুহৰ আৰু সমাজৰ বাবে অবিচ্ছেদ্য আৰু বাধ্যতামূলক হৈ পৰিছে। এই দিশটোৰ ওপৰত মানুহৰ সমাজে বাৰুকৈয়ে চকু দিয়া প্ৰয়োজন।

# আমাৰ গাঁও...

**নন্দেশ্বৰ মিলি**
**নগাঁও, অসম**



আমাৰ গাঁও অতিকৈ শুৱনি
নৈৰ সুবাসে আছে ব্যাপি
তৰু-তৃণ, গছ-গছনি
তামোল-পাণ-ফলমূলৰ বাৰী
বিল-পুখুৰী, মাছ-কাছৰে উভৈনদী।
আঘোণৰ সোণালী পথাৰ
সঁৰিয়হৰ হালধীয়া সাগৰ
হৃদয়ত তোলে স্পন্দন
গাভৰু কনেঙহঁতে
কেঁচা জলকীয়া নিমখৰ স'তে
ৰবাব টেঙা চকলাৰ
লয় জুতি।
ককা- আইতাৰ সুঁহৰি
নাতি-নাতিনীৰ আবদাৰ
সাধু সাধু লগা
এটি জোনাকী নিশা
চোতালে চোতালে
জী উঠে।
ৰিব ৰিব মলয়া বা
আন্দোলিত কৰে চৌপাশ
মিঠা মৰম মিঠা ভাষা
সহজ-সৰল জীৱনবাস
আপোন আপোন লগা
এটি ধ্বনি
শুনা পাঁও
হৃদয়ে হৃদয়ে।
আমাৰ গাঁও অতিকৈ শুৱনি
আমাৰ সপোনবোৰ য'ত
সেউজী পাঁহি মেলে

# বৰেণ্য নাৰী সিন্ধুতাই চাপকাল..

তেখেতে ৰেলৰে প্লেটফৰ্মত দেখিছিল গৃহহীন ল'ৰা ছোৱালী। ভিক্ষা কৰি যি পাইছিল, তেখেতে সিহঁত বোৰৰ মাজত ভগাই দিছিল। ছমহীয়া শিশু কন্যাক পুনেৰ অনাথ আশ্ৰমত থৈ সিন্ধুতায়ে মুকলি মনেৰে, দেহেকেহে গীত গাই, ভিক্ষা মাগি, নানাজনে দিয়া দান দক্ষিনা আৰু অগ্নিগৰ্ভা ভাষনেৰে উপাৰ্জন কৰা ধনেৰে পথতে জীৱন নিৰ্বাহ কৰা বহুত ল'ৰা ছোৱালীক ডাঙৰ কৰিছে।

১৯৮৬ চনত সিন্ধুতাইৰ প্ৰথম অনাথ আশ্ৰম অমৰাৱতীত পঞ্জীভূত হ'ল। তেখেতৰ এই আশা সুধীয়া কামৰ বিষয়ে শুনিবলৈ পাই, নানা ঠাইৰ পৰা দান আহিবলৈ ধৰিলে। ল'ৰা ছোৱালী বোৰক স্কুল আনকি কিছুমানক কলেজীয়া শিক্ষা দিয়াৰ উপৰিও তেখতে বহুতৰে বিয়াও পাতি দিছিল। কোনোৱে সিন্ধুতাইক খবৰ দিলে যে তেওঁৰ স্বামী বৰ্তমান বৃদ্ধ আৰু গুৰুতৰ ৰোগত আক্ৰান্ত। 'তেওঁ বৃদ্ধ, চাবলৈ কোনো নাই, গতিকে মই সহায় কৰিবই লাগিব। মই তেওঁক কলো,'মই এতিয়া তোমাৰ পত্নী নহয়, কিন্তু এক অনাথ শিশুক চোৱাৰ দৰে মই তোমাক চাম, মাতৃ হিচাবে '। কেনেকৈ ক্ষমা কৰিছে বুলি প্ৰশ্ন কৰোতে স্মিত হাঁহিৰে সিন্ধুতায়ে কয় -' মোক পৰিত্যাগ কৰাৰ বাবেই মই আজি এই মহান কাম কৰিব পাৰিছো '!

কিন্তু এই মহান কাম কৰি থকাৰ মাজতো সিন্ধুতাইৰ মাতৃ মনে হাহাকাৰ কৰি উঠে নিজৰ জীয়েক মমতাৰ কথা সুঁৱৰি। " তাই নিশ্চয় মোক ঘৃণা কৰে মই তাইক অনাথ আশ্ৰমত থোৱাৰ বাবে। কিন্তু এতিয়া তায়ো বুজি পালে মই কি কাৰনে তাইক আশ্ৰমত থব লগীয়া হৈছিল"। সমাজ সেৱাৰ স্নাতক মমতা সিন্ধুতাইৰ আশ্ৰমৰ মুখ্য প্ৰশাসনীয় বিষয়া। মমতাই স্বীকাৰ কৰে তেওঁৰ শৈশৱ আনতকৈ বেলেগ " যদিও মাৰ অভাৱ বিশেষ অনুভৱ নকৰিছিলো, তথাপি আন ল'ৰা ছোৱালীৰ লগত মাক বাপকবোৰ দেখিলে মোৰো বুকুৰ কোনোবা খিনিত বৰকৈ বিষ হৈছিল"। পাছলৈ মাক জীয়েক একেলগে পুনেৰ তেওঁলোকৰে এটা কেন্দ্ৰত থাকিবলৈ ললে।

২০১০ চনত, মাৰাঠী সাহিত্য পৰিষদৰ সভাত সিন্ধুতাইক ভাষণ দিবলৈ আমেৰিকাৰ Sanfrancisco লৈ আমন্ত্ৰণ কৰিছিল। এই বিষয়ে বাতৰি কাকতত পঢ়িবলৈ পাই কথাছবি নিৰ্মাতা অনন্ত মহাদেৱনে স্থিৰ কৰিলে সিন্ধুতাই ৰ জীৱনী লৈ ছবি নিৰ্মাণ কৰিব। মহাদেৱনৰ ভাষাত- " মই বাতৰিৰ শিৰোনামাত পঢ়িবলৈ পাইছিলো -'মোৰ ১৫৭ টা জোঁৱাই আছে' আৰু তেতিয়াই তেওঁ সিন্ধুতাইক লগ কৰি, ছবি নিৰ্মাণৰ বিষয়ে বিবৰি কয় আৰু তাৰেই ফল স্বৰূপে এখন সুন্দৰ মাৰাঠী কথাছবি নিৰ্মান হ'ল 'মী সিন্ধুতাই চাপকাল '( I'm Sindhutai Sapkal)...এই ছবিখন বহু আন্তৰ্জাতিক ফিল্ম ফেষ্টিভেলত দেখুওৱা হৈছিল আৰু এই ছবিৰ জৰিয়তে অধিক সংখ্যক লোক সিন্ধুতাইৰ কামত সহায় কৰিবলৈ আগবাঢ়ি আহিল ।

মুখত প্ৰসন্নতাৰ হাঁহিৰ মানুহ গৰাকী সেইদিনা দাদৰৰ My Home India অনুষ্ঠানতো একে ধৰনেৰেই শোভা বৰ্ধন কৰিছিল- তেখেতৰ তেজস্বী অথচ সৰল ভাষণৰ জৰিয়তে। মঞ্চলৈ উঠি আহিছিল কেইবাটাও ডেকা ল'ৰা, যি সিন্ধুতাইৰ সহায়ত ডাক্তৰ, চাৰ্টাৰ্ড একাউন্টেন্ট উকীল আৰু এডভাৰতাইজিং প্ৰফেশ্যনেল হিচাপে মূৰ দাঙি থিয় দিব পাৰিছে। লগতে মঞ্চলৈ আহিছিল কেইবা জোৰা পতি পত্নী, যাৰ বিয়া সিন্ধুতায়ে পাতিছিল। অসংখ্য বিয়া পাতিছিল বাবেই তেখেতে গৰ্বেৰে কব পাৰিছিল " মোৰ ১৫৭ টা জোঁৱাই আছে "বুলি। ২০২১ চনত সিন্ধুতাইক ভাৰত চৰকাৰে পদ্মশ্ৰী উপাধিৰে সন্মান জনাইছিল।

সকলোৱে ভাবিছিল, অনাথৰ মাতৃ গৰাকীৰ যাত্ৰা কেতিয়াও শেষ নহব,'তেখেতক মাতা, তেখেত আহিব '....কিন্তু সকলোৰে এই ধাৰণা মিছা প্ৰমাণিত হ'ল । ২০২২ ৰ চাৰি জানুৱাৰীৰ দিনা এই মহীয়সী নাৰীৰ পুনেত মৃত্যু হয়। চল্লিছ বছৰ ধৰি, একেৰাহে প্ৰায় এহেজাৰ জনক আশ্ৰয় দি, মানুহ হিচাবে জীয়াই থাকিবলৈ সাহস যোগোৱা, 'Mother of Orphans' আজি আৰু নাই।

মোৰ সৌভাগ্য যে মই তেখেতক ওচৰৰ পৰা গৈ সেৱা জনাই একেলগে ফটো এখন তুলিবলৈ সুবিধা পাইছিলো। এই লিখনী ৰে আজি সিন্ধুতাই চাপকালক অশ্ৰুঅঞ্জলী যাচিলো।

২ মাঘ, ১৪২৭ চন Rongili Barta, Date of Publication-- 16 January, 2022

# নিৰু দেৱীৰ স্মৃতিত

মঞ্জুষা শৰ্মা



ওখ-পাখ আটিল দেহৰ কৰ্মোদম আৰু মানসিক ভাৱে অতি সক্ৰিয় এগৰাকী নাৰী। যাৰ নামেই আছিল নিৰু। দাঁত নাইকিয়া মুখখনিত সদায় লাগি ৰৈছিল এটি প্ৰাণ খোলা হাঁহি। জীৱনত পোৱা সকলোবোৰ বেদনাই ঢাকি ৰাখি হাঁহিটিৰেই সকলোকেই আদৰি নিজৰ কৰি ল'ব পৰা এটি গুণ আছিল তেখেতৰ। দেৰগাঁৱৰ বেতিয়নীত জন্ম গ্ৰহণ কৰি দেৰগাঁৱৰ ৯ নং ৱাৰ্ডৰ কন্দলি পৰিয়াললৈ বোৱাৰী হৈ আহিছিল তেখেত। ৪জন পুত্ৰ আৰু ২ গৰাকী কন্যাক সমাজত প্ৰতিষ্ঠিত কৰিবৰ সময়ত নাছিল তেখেতৰ কাষত বটবৃক্ষ স্বৰূপ স্বামী। বিধবা সাজ লৈয়ে সেই কণ কণ সন্তান কেইটাক নিজৰ অপ্ৰাণ কষ্টেৰে ডাঙৰ কৰাই নহয় আটাইকেইজনেই স্নাতক ডিগ্ৰীধাৰী। মাতৃ হিচাপে দিয়া জ্ঞানৰ বাবেই হয়তু মৃত্যুৰ ওচৰত মাকক হাৰ মানিব নোৱাৰাকৈ আজি দুবছৰে অশেষ যত্ন কৰি জীয়াই ৰাখিব খুজিছিল পুত্ৰ তিনিজনে। কি নকৰিছিল তেওঁলোকে। বিছনাত সম্পূৰ্ণৰূপে অৱস হৈ পৰি থকা দেহটোৰ পৰা যাতে প্ৰাণ পক্ষী উৰি যাব নোৱাৰে তাৰ বাবে ২৪ ঘণ্টাই আলপৈচান ধৰিছিল। এদিন সৰু পুত্ৰক কৈছিলো যে মাজে সময়ে মাক কিবা এটা প্ৰাৰ্থনা গাই শুনাবাচোন। তেওঁৰ স্পষ্ট উত্তৰ " কি আপুনি আমাৰ মা মৰাটো বিচাৰিছে নেকি ? আমি কষ্ট পোৱা

*(বাৰ পৃষ্ঠাত চাওক)*

# বিহু

প্ৰত্যাশা মুক্তিয়াৰ



; পৰহিলৈ বিহু আহিম আহিম কে নহা হ'লি যে।
; চাও ৰ'হ কি হয়, নিজৰ বাবে সময় মিলাব পৰা নাই।
; নাহ' তাৰ মানে, এইবাৰ গাৱৰ আটাইকেইটাই মিলি অলপ ফূৰ্তি কৰিম বুলি ভাবিছিলো ।অভিও নাহে বিহুতে পৰীক্ষা বুলে তাৰ ।আৰু তইও।
; ৰ'বিচোন কাইলৈ দিনটো আছেইচোন ।
; নাই, মই জানো নাহ' তই। আঁতৰত পঢ়িবলৈ গৈ বাৰুকৈয়ে সলনি

*(দহ পৃষ্ঠাত চাওক)*

# মনোমতীক সুৱঁৰি

মঞ্জু মজুমদাৰ বৰ্মণ



মাঘৰ দমহী আইহলি তোক লগি
বৰকে মনত পৰে এ মনোমতী।
তই বা ইতা কেনকে আছা
একবাৰ চাই আইহবা বৰ মন যায়।
তোকলগি মনত পইল্লি
দমহীৰ সান্দাহ খুন্দা ঢেকীৰ চাব কেইটা
বুকখানত পৰাহান লাগে।
তোৰ মনত পৰেনা ভেলাপুজি বাইন্ধবা
নাৰ কাটতো মোৰ কাচি দি কাটা আঙুলিত
তই গাত ল চাদৰখন ফালি গাঁঠি দিছলি।
তোক লাগি মনত পইল্লি কাটা চিনডোখৰ
চুই চাউ এ মনোমতী।
বুকখান কিবা উকাপথাৰ খানৰ দৰে
হৈ গেইছি তোৰ বিয়াৰ পাছৰ পে।
কাৰ বা মুখত শুইনছিলো
তোৰ বুলে জাকৈতা ঘৰ।
দমহী বুলি তোৰ কিজানি আজেৰিয়ে নাই।
ভালকে থাক, শাখা সিন্দুৰে তোৰ
দিন কাল যাওঁক।
ময়ো আছুদে ঘানীত তেল পেৰা বলধহালৰ দৰে মাই-পিতে পাতি দিয়া
সংসাৰ খন টানি টানি ।।

**(বহু শব্দ পাহৰিছোঁ। তথাপি চেষ্টা কৰিছোঁ। ভুল হ'লে ক্ষমা কৰিব।)**

# হেঁপাহৰ মাঘৰ বিহু

-নিতিষ্মান দাস
সপ্তম শ্ৰেণী



মাঘৰ বিহুৰ বতৰ আহিল,
সমগ্ৰ অসমত পিঠাৰ সুবাস উঠিল।
ঘৰে ঘৰে মই ঢেঁকীৰ মাত শুনিছোঁ,
আজি কালি বেছি ভাগ ঘৰত ঢেঁকী কম দেখা পাইছোঁ।
হাতত লগাম মই জেতুকাৰ পাত,
বিহুৰ বাবে চৰাই-চিৰিকটিৰ উঠিল আনন্দৰ মাত।
গাঁওৰ পথাৰ খনিত ভেলা ঘৰ সাজে,
এই বিহুত আনন্দৰ বাবে ঢোল পেঁপা বাজে।
উৰুকাৰ সাঁজৰ বাবে বজাৰলৈ যায়,
নিশা ভোজ ৰান্ধি সকলোৱে আনন্দৰে খায়।
উৰুকাত জোনটি নোলালে কিবা ভাল নালাগে,
এনে লাগে জোনৰ বাবে সময়ে নাথাকে।
মাক সুধিলোঁ "ঢেঁকী মাৰি তুমি কৰিবা নো কি?
কলে "খোৱাম বিহুৰ পিঠা মই নিজ হাতেৰে সাজি"।
মায়ে কলে আমি পিঠা বনাম,
হেঁপাহ পলাই সকলোৱে পিঠা খাম।
চুঙা পিঠা, তিল পিঠা আৰু ঘিলা পিঠা,
এই সকলো পিঠা হৈছে সোৱাদত মিঠা।
সুধিলো ঢেঁকীক "তুমি বাৰু কৰা নো কি?
কলে "গুৰি কৰোঁ চাউল পিঠা মই খুন্দি খুন্দি"।
ৰাতিপুৱা সকলোৱে মেজি জ্বলায়,
পৱিত্ৰ হৈ সকলোৱে নামঘৰলৈ যায়।
জেষ্ঠজনক শ্ৰদ্ধাৰে সেৱা জনায়,
সুখক আচলতে এনেকৈ সহজতে পায়।
মোৰ অসমৰ ইতিহাস যাতে জিলিকি থাকক,
আশা কৰোঁ সকলোৱে জীৱনলৈ আনন্দ আহক

২ মাঘ, ১৪২৭ চন Rongili Barta, Date of Publication-- 16 January, 2022

# উৰুকাৰ নিশা

**ৰাজলক্ষ্মী বৰঠাকুৰ**
**দেৱৰাজ ৰয় মহাবিদ্যালয় গোলাঘাট**



উৰুকাৰ নিশা উৰুখা চালত
টুপ টুপ নিয়ৰৰ শব্দ,
জুলুঙাৰ ফাকেৰে সুমাই অহা
হিম -চেঁচা বতাহ জাকে,
বাৰে বাৰে আঁতৰাই দিছে
তাইৰ গাৰ আঁচল ।
বুকুত সাবটি পোণাকনক
বাট চাই আছে তাই,
বুকুৰ কুটুমলৈ
কিজানি বা উভতি আহে যোৱাৰ বাটাৰে
ঢিমিক ঢামাক কৈ মজিয়াত জ্বলি আছে
তেল নাইকিয়া চাকি গছি ।
মেজিৰ জুইৰ দৰে উমি উমিজ্ব লিছে
তাইৰ বুকুৰ ভিতৰতো একোৰা জুই।

# ভোগৰ ভোগালী

**ময়ূৰাক্ষী গগৈ**
**যোৰহাট**



সকলো ফালে উখল-মাখল
আহিল আমাৰ অতি চেনেহৰ
ভোগৰ বিহু ভোগালী।
ঘৰে ঘৰে উভৈনদী
কেৱল খোৱাৰহে বল।
তিল পিঠা, তেল পিঠা, খোলা চাপৰীয়া পিঠা,
চুঙা পিঠা আৰু যে কত পিঠা।
জলপানত আছে আকৌ
ভজা চাউল, কোমল চাউল,
সান্দহ, চিৰা, মুড়ী, আখৈ, হুৰুম
লগত চুঙা দৈ, মাখন আৰু গুৰ।
কাঠ আলু, মোৱা আলু, মিঠা আলুৰ
কথা নকলোৱেই বা।
উদৰ পূৰাই খালেই হ'ল।
উৰুকাৰ ভোজ আৰু এখোপ চৰা।
তিতাববৰ চাউল, কাকডোঙাৰ বৰালি
আৰু খাহীৰ মাংসৰে উলাহৰ এসাজ।
শুনিলেই জিভাৰ পানী ওলায়।

# বিহু

হৈছে। কাৰোৰে সময় নাই।
; অলপমান বুজিবলৈ চা।
; ......
; হ'ব যাম মই । কিন্তু বিহুৰ পিছৰ দিনাই ফেৰিত থোৱাহি দায়িত্ব তোৰ।
; আহ্ আগতে তাৰ পিছত যি হয় হ'ব। মেট্ৰিকৰ পিছৰে পৰা আমি ছটা লগ নোহোৱাই হলো। আৰু এইবাৰ বিহুতোত তহঁত কোনো নাহিলে বৰ বেয়া লাগিব।
; হ'ব হ'ব গৈ আছো মই। তই মাত্ৰ বৰমাক মোৰ ভাগৰ খিনি থ'বলৈ কবি। হ'ব দে ফ'ন জমা দিবৰ সময় হৈছে আৰু মাৰো খবৰ লোৱা নাই হোৱা । বাকীখিনি একেবাৰে লগ হৈ পাতিম দে । মায়ে চাগে বাট চায় আছে।

# নিৰু দেৱীৰ স্মৃতিত

নাই নহয় ! তেওঁ এনেদৰেই থাকক। "বৰ দুখ লাগিছিল মাতৃস্নেহ দেখি। কাৰণ সৰুতেই পিতৃক হেৰুৱাইছিল যে। পো নাতি চাৰিটায়ো আইতাকৰ যত্ন ল'বলৈ কুণ্ঠাবোধ কৰা নাছিল। একো ক'ব নোৱাৰাকৈ পৰি থকা আইতাকে যাতে দুখ নাপাই তাৰ বাবে ভৰি - হাতত ঠায়ে ঠায়ে কোমল গাৰু দি দিছিল। ইমান যত্নৰ বাবেই হয়তু কাকো একো জানিবলৈ নিদিয়াকৈ মনে মনে হাতত সাৰে ভৰিত সাৰে ৩১ ডিচেম্বৰৰ দিনা ৰাতি এই নশ্বৰ দেহৰ পৰা প্ৰাণ পক্ষী উৰি গৈছিল নিথৰ দেহটো বিছনাতে এৰি। পুৱা যেতিয়া সেই দেহ শ্মশানলৈ নি চিতাত উঠাব লগা হ'ল তেতিয়া নিহাৰ, পাক্ষী, বিতু আৰু ৰিৰৰ অৱস্থা কাহিল হ'ল – "কেনেকৈনো ইমান আদৰৰ আইতাকৰ দেহটো কাঠ - বাঁহ - খৰিৰ ওপৰত আৰু মাজত সুমুৱাই দিয়ে বাৰু ?" কিন্তু ই যে চিৰন্তন সত্য। বাস্তৱক স্বীকাৰ কৰিবই যে লাগিব। আজি তেখেতৰ মতস্য স্পৰ্শ। আজিৰ পৰা তেখেৰ উপস্থিতি হৈ পৰিব মাথো এক সোণালী স্মৃতি। তেখেতৰ আত্মাই চিৰশান্তি লাভ কৰাৰ উদ্দেশ্যেৰে নেদেখাজনৰ ওচৰত কৰযোৰে মিনতি জনালো।
ওম্ শান্তি। ওঁম শান্তি। ওঁম শান্তি।

# জীৱিকাৰ পথ ?

মানুহজনক তেনেকৈ ঘূৰি ফুৰা দেখোঁ ।

এদিন কল বেপাৰী এজনে ক'লে, " আমাৰ দোকানৰ ফালে কেইগৰাকীমান মহিলা আহে পইচা বিচাৰি। সুধিলে কয় - বানে গৰকা ! নামঘৰৰ কাৰণে ! ল'ৰা অসুখীয়া - ইত্যাদি। পিছতহে জানিব পাৰিলো সকলো মিছা । "

যোৱা ১ জানুৱাৰীৰ দিনা পুৱা দেৱালয়লৈ যাওঁতে গড় আলিত তিনিটা সৰু ল'ৰাই পইচা বিচাৰি থকা দেখিলো । পিন্ধনত চুৰিয়া, চোলা, কপালত চন্দন আৰু সেন্দূৰৰ ফোঁট । হাতত ভগৱানৰ ফটোৰ সৈতে বাচন এটা। ল'ৰা কেইজন হিন্দী ভাষী আছিল ।

টাওনত কেতিয়াবা কিছুমান শাৰী পিন্ধা মহিলাই বাঁহৰ সৰু খৰাহী বা কুলাত ভগৱানৰ ফটোৰ সৈতে ফুল অলপ দি হাতত লৈ ঘূৰি ফুৰি পইচা বিচাৰে । কেতিয়াবা ঘৰলৈও আহে ।
সকলো ধৰ্মক সন্মান কৰোঁ । কিন্তু, যেতিয়া পূজা বা ভগৱানৰ নাম কৈ ব্যৱসায় কৰে তেতিয়াহে - – - ।
বিশেষভাৱে সক্ষম মানুহেও কৰ্ম কৰি জীৱন নিৰ্বাহ কৰা দেখিছো । সম্পূৰ্ণ অঙ্গ -প্ৰত্যঙ্গ থকা সত্বেও কিছুমান মানুহে কৰ্ম কৰিবলৈ নিবিচাৰে। কিয় বাৰু !!!

# আই ঘৰলৈ যাম দুই হাতে...

দিয়া বন্ধ বুলি, মুল্যবৃদ্ধিৰ প্ৰতিবাদ আদি বিভিন্ন কাৰণত সময় ক্ষতি কৰা হয় তেতিয়া সেই ক্ষতি পুৰণ কৰা কিমান কষ্টকৰ সেয়া সহজে বোধগম্য নহয়। এই ক্ষতি তেওঁলোকক কোনেওঁ পুৰণ কৰি নিদিয়ে। কৰুণা কালৰ কৰুণ প্ৰতিচ্ছবি সকলোৱেই দেখিছে। সামান্য সাহাঁয্যই সকলোনে? তাকো জানো সকলোৱেই পাইছিল? এওঁলোকৰ বাবে চৰকাৰৰ কৰণীয় একোৱেই নাইনে? অস্বীকাৰ নকৰো বাৰু, কাৰণ চৰকাৰী কৰ্মচাৰী নোহোৱা সকলৰ কাৰণে বিভিন্ন আঁচনিও ৰূপায়ন কৰিছে। কিন্তু হিতাধিকাৰী কোন সকলে পাইছে? তাৰ খবৰৰ কিবা স্পষ্ট খতিয়ান আছেনে চৰকাৰৰ হাতত? পঞ্চায়ত লেভেলত কেনেধৰণে হিতাধিকাৰী নিৰ্বাচন হয় সকলোৱে ইটো জানে? যদি সাধাৰণ শ্ৰেণীৰ লোক হয় তেতিয়া টো কথাই নাই? একেবাৰে নিম্নশ্ৰেণীৰ লোকসকলকো বাৰু যথেষ্ট সহায় চৰকাৰে কৰিছে। কিন্তু মাজতে অতি কষ্টৰে কৰ্ম কৰি পেট প্ৰৱতোৱা শিক্ষিত ব্যক্তিগত খণ্ডৰ কৰ্মচাৰীৰে গঢ় লৈ উঠা নিম্ন মধ্যবিত্ত শ্ৰেণীটোৰ কথা অলপ চৰকাৰে ভাৱক। তাতে এই শ্ৰেণীটোতো General Cust নামৰ ভূতটোৰ খোৱা কামোৰা বোৰো আছে। এই শ্ৰেণীটোৰ লোকসকলেও সুস্থিৰ এখন চৰকাৰ গঠনৰ আশাত, নতুন এখন চৰকাৰ আহিলে নিশ্চয় কিবা এটা হব এই আশাত জিন্দাবাদ জিন্দাবাদ চিয়ৰিবলৈ প্ৰত্যেকটো নিৰ্বাচনৰ সময়তেই যায়।

যুৱকজনৰ কথাবোৰ ভাবিলো, সচাঁই সি এইবোৰকে পৰৱৰ্তী সময়ত ঘৰত সমবেত হোৱা চৰকাৰী দাদা-বৌয়েকক শুনালে। আক্ষেপেৰে ক'লে চৰকাৰী কৰ্মচাৰী আকৌ জিন্দাবাদ চিয়ৰিবলৈও যাব নোৱাৰে বুলি মোকে পঠোৱা নিৰ্বাচনৰ ৰেলীত। এইবাৰ নাযাও আৰু ভোটো নিদিও। সকলোৰে বুকুবোৰ আবেগেৰে গধুৰ হৈ পৰিল। আই ঘৰলৈ যাম, দুয়ো হাতে খাম....।

# ENGLISH NEWS SECTION

## Assam Governor inaugurates Association of Indian Universities (AIU) East zone Vice Chancellors' meet




Guwahati, RB News- Assam Governor Prof. Jagdish Mukhi said that India which is at present on the fast trajectory of development needs the availability of clean and green energy to maintain the momentum of accelerated growth and take the country altogether to a greater height.

Speaking while inaugurating the Association of Indian Universities (AIU) East Zone Vice Chancellors' meet virtually from Raj Bhavan here today on the theme 'Realizing Sustainable Development Goals through Higher Education Institutions for Clean Energy and Creating Sustainable Ecosystem' the Governor said that the clean and green energy have become the order of the day for taking India's growth to a new level. He further said that India's position in Sustainable Development Report—2021, called for an urgent action from all sectors of the country for an action plan for extensive use of clean energy for sustainable development. He also said that due to the unique position of the higher education institutions in the society, they (Higher Education Institutions) can contribute a great deal towards achieving all the 17 Sustainable Development Goals (SDGs) and thereby accomplishing the 2030 target agenda. Taking a view of Indian context, the SDGs without the involvement of higher education sector is quite an impossible task, the Governor added.

Referring to the impact ranking of Times Higher Education which gave 11 Indian universities in recognition to their contribution in realizing UN SDGs, Prof. Mukhi reiterated the need on the part of the universities to become more responsible in their approach towards sustainability in delivering education. He, therefore, thanked Association of Indian Universities (AIU) in organizing the Zonal and National Vice Chancellors Conferences in 2021-22 on the theme 'Realising Sustainable Development Goals through Higher Education Institutions', which according to him will helps the HEIs to perform more responsibly towards SDGs.

The Governor, however, lauded higher education institutions in India for having displayed their potential during the COVID-19 crisis and demonstrated their expertise in solving the crucial challenges. He also said that since only one decade is left to accomplish 2030 Agenda, the conference should travel the extra mile in helping the HEIs to gear up and rededicate themselves to contribute significantly in achieving sustainable development goals.

He also exuded confidence that the two day east zone vice chancellors' meet is dealing with an important theme on the SDGs. He also said that the brainstorming sessions in the meet will primarily help HEIs to enhance their contribution towards sustainable development. Besides, there should be stocktaking of global progress towards SDGs to reorient the role of the HEIs for sustainability.

It may be mentioned that AIU plays an important role as a common platform for cooperation among Indian universities and liaise with government and other national and international bodies in other countries in the matters of common interests. Not only academic activities alone, AIU also conducts inter-university sports and cultural events at national and international level.

President AIU and VC AMET University Col.(Dr.) G.Thiruvasagan, Secretary General, AIU Dr. Pankaj Mittal, Vice chancellors of various universities along with other dignitaries were present in the inaugural function which was organised virtually.

## Another Burmese scribe killed, three casualties in 30 days



Guwahati RB News : One more Burmese journalist from Chin State in north-western Myanmar falls prey to extra-judicial killings of the security forces (Tatmadaw) recording the casualties of three journalists within 30 days. Chin journalist Pu Tui Dim died in the police firing at Matupi locality of the bordering State to India on 9 January 2022. Tui Dim (35) used to work for Khonumthung news agency that covers Chin State, Indo-Myanmar border issues. Myanmar (also known as Burma or Brahmadesh), which has been ruled by the Min Aung Hlaing-led military junta after deposing the democratically elected Aung San Suu Kyi-led government in Naypietaw on 1 February 2021, witnessed murders of two journalists last year. Freelance photojournalist Ko Soe Naing died under military custody on 14 December. Naing was arrested from Yangon while he was covering an anti-junta demonstration on 10 December. Later journalist Sai Win Aung (also known as A Sai Kay) died of head injuries caused by the Tatmadaw-operated shells at Maekheewar village in Karen State on 25 December.

Geneva-based global media safety and rights body, Press Emblem Campaign (PEC) has condemned the killing of Tui Dim by the Burmese military forces and demands a fair probe into the incidents that led to his death. Tui Dim becomes the third journalist to be killed this year after Amady John Wesley and Wilguens Louissaint (both from Haiti).

"We demand authentic probes and also justice as well as adequate compensations to the victim journalist families. The media workers must not be targeted by anyone anywhere in the world," said Blaise Lempen, secretary-general of PEC (www.pressemblem.ch). He also urged the Burmese militaries to avoid extra-judicial killings and inhumane acts.

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta
GUWAHATI—781025

২ মাঘ, ১৪২৭ চন Rongili Barta, Date of Publication-- 16 January, 2022

## Beauty of the Week



Preety Rekha Sarma

Beauty of the Week Art of the Week আৰু · Photography of the Week লৈ আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক
E-mail-

rongilibartamedhi@gmail.com
Whatsapp - 9854215286

# The Playground

Prantar Buragohain



Why are they covering this piece of land,
With stones, bricks and wooden frame.
They say it will become a parking for cars,
The field which belonged to us.
We played football, police and thief,
Kick the can and hide and seek.
It was a friend who is now gone,
Now we are standing all alone.
Today no more is that playground,
The only which was in the town.

# মাঘবিহু

ৰূপালী মহন্ত



"অগ্নি প্ৰজ্ব লিতং বন্দে চতুৰ্বৰ্ণ হুতাশনম।
সুৱৰ্ণ বৰ্ণমমলং জ্যোতি ৰূপায়তে নম।।"


মাঘবিহুত 'অগ্নি পুৰাণ'ৰ এই মন্ত্ৰেৰে অগ্নি দেৱতাক কাহিলিপুৱা বয়োজ্যেষ্ঠ জনে গা ধুই মেজিজ্ব লাই তামোল-পাণেৰে সেৱা আগবঢ়ায়। সকলোৱে সমন্বয়ৰ জুই কুৰা পুৱাই আনন্দ কৰে। অগ্নি পূজা মাঘবিহুৰ প্ৰধান অনুষ্ঠান। বিহু অসমৰ জাতীয় জীৱনৰ শক্তি প্ৰকাশক ঔষধ। জাতীয় সংস্কৃতিৰ বুৰঞ্জীত বিশেষ সস্থান অধিকাৰ কৰি বিভিন্ন জনগোষ্ঠীয়ে উদাৰ দৃষ্টি ভংগীৰে অসমীয়া সংস্কৃতিৰ বৰভেটি নিৰ্মাণত আদৰণীয় প্ৰচেষ্টাৰে তেওঁলোক গৌৰাম্বিত হৈ আছে। এই সমন্বয়ৰ প্ৰতীক মাঘবিহুক অগ্নি প্ৰজ্ব লনেৰে উদযাপন কৰি সমাজৰ অসূয়া, অপ্ৰীতি দূৰ হোৱাৰ কামনা কৰিলোঁ। সকলোৱে সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰৰে সমন্বয়ৰ এনাজৰী সুদৃঢ় কৰি তোলক সেই কামনাৰে সকলোলৈকে মাঘবিহুৰ শুভকামনা জ্ঞাপন কৰিলোঁ

## Art of the Week



Barsha Das

## Photography of the Week



ANGSHUMAN BARUAH

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286